## 3.3 মুদ্ৰাৰ যোগান (The Supply of Money)

আধুনিক অৰ্থনীতিত দেশৰ মুদ্ৰা কৰ্তৃপক্ষই প্ৰচলন কৰা ধাতু মুদ্ৰা আৰু কাগজী মুদ্ৰাকে প্ৰধানকৈ মুদ্ৰা আখ্যা দিয়া হয়। ভাৰতবৰ্ষত মুদ্ৰা কৰ্তৃপক্ষ ভাৰতীয় ৰিজাৰ্ভ বেংকে কাগজী মুদ্ৰা প্ৰচলন কৰে। কিন্তু ধাতু মুদ্ৰাবোৰ ভাৰত চৰকাৰেহে প্ৰচলন কৰে। কাগজী মুদ্ৰা আৰু ধাতুমুদ্ৰাৰ উপৰি জনসাধাৰণৰ বাণিজ্যিক বেংকত থকা সঞ্চয়ী অথবা চলিত হিচাপৰ আমানতক মুদ্ৰা হিচাপে ধৰা হয়, যিহেতু এই হিচাপৰ আমানতবোৰৰ লেনদেন কাৰ্য সমাপন কৰিবলৈ চেক্ ব্যৱহাৰ কৰা হয়। এনেকুৱা আমানতক চাহিদা বা দাবী আমানত বোলে, কাৰণ ইহঁতক আমানতকাৰীৰ চাহিদা অনুসৰি বেংকে আদায় দিবলৈ বাধ্য। অন্যান্য আমানতৰ ভিতৰত ম্যাদী আমানত ( fixed deposits)ৰ এটা স্থিৰ পৈণতা (maturity)ৰ সময় থাকে আৰু ইয়াক সময় আমানত (time deposits) বুলি কোৱা হয়।

যদিও এখন 100 টকীয়া নোট দোকানৰ পৰা 100 টকা মূল্যৰ সামগ্ৰী ক্ৰয় কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি, কিন্তু কাকতখনৰ মূল্য তেনেই নগণ্য অৰ্থাৎ 100 টকাতকৈ কম। ঠিক সেইদৰে 5 টকীয়া ধাতু মুদ্ৰা এটাৰ ধাতু মূল্য সম্ভৱতঃ 5 টকাৰ সমান নহয়। সেয়েহে প্ৰশ্ন হয় যে জনসাধাৰণে কিয় বেছি মূল্যৱান সামগ্ৰীবোৰৰ বিনিময়ত এনেকুৱা কাগজী নোট আৰু ধাতু মুদ্ৰা গ্ৰহণ কৰে? মুদ্ৰা কৰ্তৃপক্ষই আৰোপ কৰা প্ৰতিজ্ঞাৰ পৰা কাগজী আৰু ধাতু মুদ্ৰাৰ মূল্য উদ্ভূত হয়। প্ৰতিখন কাগজী নোটতে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্নৰৰ প্ৰতিজ্ঞা লিখা থাকে যে যদি কোনোৱে ভাৰতীয় ৰিজাৰ্ভ বেংকত অথবা যিকোনো বাণিজ্যিক বেংকত কাগজী নোট উপস্থাপন কৰে, তেতিয়াহ'লে ভাৰতীয় ৰিজাৰ্ভ বেংকে ব্যক্তিজনক কাগজখনত মোহৰ মৰা মূল্যৰ সমান ক্ৰয় ক্ষমতা দিবলৈ বাধ্য। ধাতু মুদ্ৰাৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। সেয়েহে কাগজী নোট আৰু ধাতু মুদ্ৰাক আদেশ মুদ্ৰা (flat money) বুলি কোৱা হয়। সিহঁতৰ সোণ বা ৰূপৰ মুদ্ৰাৰ দৰে প্ৰকৃত বা আচল মূল্য নাথাকে। তেনেকুৱা মুদ্ৰাক বিহিত মুদ্ৰা বুলিও কোৱা হয়, কিয়নো সেই মুদ্ৰাক যিকোনো লেনদেন সমাপন কৰাৰ বাবে দেশৰ নাগৰিকসকলে অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু

Scanned by CamScanner

লেনদেনৰ আহিলা হিচাপে সঞ্চয়ী বা চলিত হিচাপ (accounts)ৰ পৰা দিয়া চেক্ গ্ৰহণ কৰিবলৈ যিকোনো লোকে অস্বীকাৰ কৰিব পাৰে। সেয়েহে চাহিদা (demand) আমানতসমূহ বিহিত মুদ্ৰা নহয়।

**3.3.1 বৈধ সংজ্ঞা ঃ সংকীৰ্ণ আৰু বিস্তৃত মুদ্ৰা (Legal Definitions : Narrow and Broad Money)**

মুদ্ৰাৰ চাহিদাৰ দৰে মুদ্ৰাৰ যোগান হ'ল এটা মজুত চলক (Stock variable)। এটা নিৰ্দিষ্ট সময়ত জনসাধাৰণৰ মাজত প্ৰচলন থকা মুঠ পৰিমাণকে মুদ্ৰাৰ যোগান বোলে। ভাৰতীয় ৰিজাৰ্ভ বেংকে মুদ্ৰাৰ যোগানৰ চাৰিটা বিকল্প জোখ, যেনে— M1, M2, M3 আৰু M4 প্ৰকাশ কৰে। সেইবোৰ তলত দিয়াধৰণে প্ৰকাশ কৰিব পাৰি—

M1 = CU + DD

M2 = M1 + ডাকঘৰ সঞ্চয়ী বেংকৰ সঞ্চয়ী আমানতসমূহ।

M3 = M1 + বাণিজ্যিক বেংকসমূহৰ শুদ্ধ সময় আমানতসমূহ (Time deposit)।

M4 = M3 + ডাকঘৰ সঞ্চয়ী সংগঠনসমূহৰ মুঠ আমানতবোৰ (ৰাষ্ট্ৰীয় সঞ্চয়ী প্ৰমাণপত্ৰ বাদ দি), য'ত CU (Currency) হ'ল জনসাধাৰণৰ হাতত থকা মুদ্ৰা (নোট আৰু ধাতুমুদ্ৰা) আৰু DD (Demand deposits) হ'ল বাণিজ্যিক বেংকসমূহৰ শুদ্ধ চাহিদা আমানত। শুদ্ধ শব্দটোৱে কেৱল বাণিজ্যিক বেংকসমূহত থকা ৰাইজৰ আমানতসমূহকহে বুজায় আৰু মুদ্ৰাৰ যোগানত ই অন্তৰ্ভুক্ত হয়। আন্তঃবেংক (interbank) আমানত, যিটো বাণিজ্যিক বেংকে অন্য বাণিজ্যিক বেংকত জমা ৰাখে, সেইবোৰ মুদ্ৰা যোগানৰ অংশ হিচাপে অন্তৰ্ভুক্ত নহয়।

M1 আৰু M2ক সংকীৰ্ণ মুদ্ৰা বুলি কোৱা হয়। M3 আৰু M4ক বিস্তৃত মুদ্ৰা বুলি কোৱা হয়। এনেবোৰ শ্ৰেণীবন্ধন হ'ল তাৰল্যতাৰ ক্ৰমহ্ৰাসমান ক্ৰম। M1 হ'ল আটাইতকৈ তৰল আৰু লেনদেনৰ বাবে সহজ; আনহাতে M4 হ'ল সকলোতকৈ কম তৰল। সাধাৰণতে

Scanned by CamScanner

মুদ্ৰাৰ যোগান বুলিলে M3 বুজোৱা হয়। ইয়াক আকৌ মুঠ মৌদ্ৰিক সম্পদ বুলিও জনা যায়।

Scanned by CamScanner